समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



নৱম শ্ৰেণীৰ পাঠ্যপুথি

ৰাজনীতি খণ্ড আৰু অৰ্থনীতি বিজ্ঞান

অৰ্থনীতি বিজ্ঞান

পাঠ - ২

মূল অৰ্থনৈতিক সমস্যাসমূহ

অংশ – ১

দীপিমণি দত্ত

মূল আলোচ্য বিষয়

- দৰিদ্ৰতা আৰু দৰিদ্ৰতাৰ সীমাৰেখা বুলিলে কি বুজা যায়?
- ভাৰতবৰ্ষত দৰিদ্ৰতাৰ অৱস্থা আৰু কাৰণবোৰ কি কি?
- জনসংখ্যা বৃদ্ধিৰ সমস্যাসমূহ কি কি?
- নিবনুৱা সমস্যাৰ কাৰণসমূহ
- মুদ্রাস্ফীতি- ইয়াৰ কাৰণ, প্ৰভাৱ আৰু নিয়ন্ত্ৰণৰ উপায়
- বহনক্ষম উন্নয়নৰ ধাৰণা
- সেউজ অৰ্থনীতিৰ ধাৰণা

দৰিদ্ৰতা আৰু অসমতা

1. দৰিদ্ৰতাৰ সংজ্ঞা (Definition of Poverty)

☞ বহল অর্থত দৰিদ্ৰতাই এনে এক অৱস্থাক বুজায় য'ত এজন ব্যক্তিয়ে তেওঁৰ জীৱনৰ মৌলিক প্ৰয়োজন সমূহ যেনে খাদ্য, বস্ত্ৰ, বাসস্থান, শিক্ষা আৰু স্বাস্থ্যৰ সুবিধাসমূহ আহৰণত ব্যর্থ হয়।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

সমান নহয়

- সম্পদ আৰু আয়ৰ অসম বিতৰণে এখন দেশৰ অর্থনীতিত অর্থনৈতিক অসমতাৰ সৃষ্টি কৰে।
- ফলত দৰিদ্ৰ লোকসকল দৰিদ্ৰতাৰ পাকচক্ৰ (Vicious Circle of Poverty)ত পৰি দৰিদ্ৰৰ পৰা আৰু অধিক দৰিদ্ৰতাৰ মাজলৈ গতি কৰে।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

VICIOUS CIRCLE OF POVERTY
দৰিদ্ৰতাৰ পাকচক্ৰ



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

2. দৰিদ্ৰতাৰ সীমাৰেখা (Poverty Line)

দৰিদ্ৰ
|
অদৰিদ্ৰ

- দৰিদ্ৰ সীমাৰেখাই এখন দেশৰ জনসংখ্যাক 'দৰিদ্ৰ' আৰু 'অদৰিদ্ৰ' বুলি ভাগ কৰে।
- ভাৰতীয় পৰিকল্পনা আয়োগৰ মতে কেলৰিৰ সীমা ১৯৫০ চনৰ
  - গ্ৰাম্য অঞ্চলত ২৪০০ কেলৰি
  - চহৰ অঞ্চলত ২১০০ কেলৰি

- এজন ব্যক্তিক যদি তেওঁৰ কেলৰি গ্ৰহণ ওপৰত উল্লেখ কৰা মূল্যতকৈ কম হয় তেন্তে তেওঁক দুখীয়া বুলি গণ্য কৰা হ'ব।
- গ্ৰাম্য অঞ্চলত অধিক শাৰীৰিক শ্ৰমৰ বাবে অধিক কেলৰিৰ প্ৰয়োজন হয়।

বৰ্ষ	গ্ৰামাঞ্চল	চহৰাঞ্চল
২০০০-২০০১	৩২৮ টকা	৪৫৪ টকা
২০০৫-২০০৬	৩৬৮ টকা	৫৫৮ টকা

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- নূন্যতম কেলৰি গ্ৰহণ পূৰণ কৰিবলৈ বৰ্তমানৰ মূল্য অনুসৰি মাহেকীয়া জনমূৰি ব্যয়ৰ প্ৰয়োজন।
- মূল্য বৃদ্ধিয়ে কেলৰিৰ ব্যৱহাৰ সলনি কৰিব পাৰে, আনকি জনমূৰি ব্যয় অহৰহ মাহিলী হ'লেও।

- ভাৰতৰ দৰিদ্ৰতাৰ হাৰৰ ওপৰত কোনো সৰ্বজন গ্ৰহণযোগ্য উত্তৰ নাই।
- বিভিন্ন সমিতি আৰু আয়োগে দৰিদ্ৰতাৰ বিভিন্ন পৰিসংখ্যাৰ প্ৰতিবেদন দিছে।
- স্বাধীনতাৰ পাছত দৰিদ্ৰ লোকৰ সংখ্যা কমিছে যদিও আশা কৰা ধৰণে এই হাৰ নাই।

- পৰিকল্পনা আয়োগৰ দৰে কোনো আগশাৰীৰ সংস্থা বা প্ৰতিষ্ঠান ১৯৫০ আৰু ৬০ৰ দশকত দৰিদ্ৰতাৰ অধ্যয়নৰ সৈতে জড়িত নাছিল।
- পৰিকল্পনা আয়োগে ৭০ৰ দশকৰ আৰম্ভণিতে দৰিদ্ৰতাৰ পৰিসংখ্যা দাখিল কৰিবলৈ আৰম্ভ কৰিছিল।
- পঞ্চম পাঁচ বছৰীয়া পৰিকল্পনাত দৰিদ্ৰতা নিৰ্মূলকৰণক প্ৰাথমিক উদ্দেশ্য হিচাপে গ্ৰহণ কৰা হৈছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

NSSO

National Sample Survey Organisation

- এই সময়ছোৱাত নূন্যতম প্রয়োজনীয়তাৰ কার্যসূচী প্রস্তুত কৰা হৈছিল।
- দৰিদ্র সীমা নির্ণয় কৰিবলৈ ৰাষ্ট্রীয় নমুনা জৰীপ কার্যালয়ৰ তথ্য ব্যৱহাৰ কৰা হৈছিল।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

3. ভাৰতবৰ্ষত দৰিদ্ৰতাৰ ব্যাপকতা
(Extent of poverty in India)

অসমৰ দৰিদ্ৰতাৰ হাৰ

- তেণ্ডুলকাৰ সমিতি : অসমৰ জনসংখ্যাৰ ৩৪.৪%
  - গ্ৰাম্য অঞ্চলত ৩৬.৪%
  - চহৰ অঞ্চলত ২১.৮%
- ৰঙাৰাজন সমিতি : অসমৰ জনসংখ্যাৰ ৪০.৯%
  - গ্ৰাম্য অঞ্চলত ৪২.০%
  - চহৰ অঞ্চলত ৩৮.২% লোক দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে

BPL

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

4. দৰিদ্ৰতাৰ কাৰণসমূহ (Causes of Poverty)

☛ দৰিদ্ৰতাৰ কাৰণসমূহ ঘাইকৈ তিনিটা ভাগত ভগাব পাৰি —

(ক) ঐতিহাসিক

(খ) অর্থনৈতিক

(গ) সামাজিক

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(ক) ঐতিহাসিক —

- ইংৰাজৰ শাসনকালত ভাৰতবৰ্ষৰ সম্পদৰাজিৰ বৰ্হিগমন হয় আৰু ভাৰতীয় অৰ্থনীতিৰ ভেটি দুৰ্বল হৈ পৰে।
- দাদাভাই নৌৰজীৰ গ্ৰন্থ 'Poverty and UnBritish Rule in India'ত বিষয়টোৰ বহল ব্যাখ্যা আগবঢ়োৱা হৈছে।
- স্বাধীনতা লাভৰ সময়তেই ভাৰতবৰ্ষৰ দৰিদ্ৰতাৰ সমস্যাটো প্ৰকট হৈ উঠিছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(খ) অৰ্থনৈতিক —

☛ গ্ৰাম্য ভাৰতবৰ্ষত দৰিদ্ৰতাৰ মূল কাৰণসমূহ হ'ল —

- ভূমিৰ মালিকীস্বত্ত্বৰ অভাৱ
- কৃষি খণ্ডৰ বাহিৰত কৰ্মসংস্থাপনৰ অভাৱ
- কৃষিখণ্ডত উদ্ভৱ হোৱা ঋতুজ নিবনুৱা
- অশিক্ষিত আৰু অদক্ষ শ্ৰমিকৰ প্ৰাদুৰ্ভাৱ
- সীমিত কৃষি উৎপাদনৰ পৰিমাণ
- নিম্ন মজুৰি হাৰ ইত্যাদি।

☛ চহৰ অঞ্চলত দৰিদ্রতাৰ মূল কাৰণবোৰ হ'ল —

- গাঁও অঞ্চলৰ দৰিদ্রতাৰ বাবে চহৰ অঞ্চললৈ সৃষ্টি হোৱা অবিৰাম প্রব্রজন,
- আৱাসগৃহৰ অভাৱ
- খোৱাপানীৰ অভাৱ
- দূষিত পৰিৱেশ
- বস্তি অঞ্চলৰ সৃষ্টি ইত্যাদি।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

- জনসংখ্যাৰ দ্ৰুত বৃদ্ধিৰ ফলত সামগ্ৰিক সঞ্চয় ক্ষমতা হ্ৰাস পাইছে।
- বিনিয়োগৰ বাবে উপলব্ধ মূলধনৰ এই নাটনিৰ ফলত অৰ্থনৈতিক উন্নয়নৰ স্তৰ অস্পষ্ট হৈ পৰিছে।



গ্) সামাজিক

☛ জাতিভেদ আৰু বৰ্ণভেদ প্ৰথাৰ ফলত জনসংখ্যাৰ বুজনসংখ্যক লোক আৰ্থ-সামাজিক উন্নয়নৰ সুফলবোৰৰ পৰা বঞ্চিত হৈ পৰাত দৰিদ্ৰতাৰ সমস্যাটোৱে এক জটিল ৰূপ ধাৰণ কৰিছে।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

মূল্যায়ন

Under CSR Support by
ipca | Foundation



1 তলৰ কোনখন পৰিকল্পনাত দৰিদ্ৰতা নিৰ্মূলকৰণক প্ৰাথমিক উদ্দেশ্য হিচাপে গ্ৰহণ কৰা হয় -

A প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনা

B চতুৰ্থ পঞ্চবাৰ্ষিক পৰিকল্পনা

C পঞ্চম পঞ্চবাৰ্ষিক পৰিকল্পনা

D ষষ্ঠ পঞ্চবাৰ্ষিক পৰিকল্পনা

মূল্যায়ন





2 | দাদাভাই নৌজীয়ে দৰিদ্রতাক লৈ লিখা গ্রন্থখনৰ নাম Poverty and UnBritish rule in India.